# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-07-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ২৯ হাজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ পথ, ৰে'লৰে আৰু বন্দৰ খণ্ডৰ কেইটাবাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। সাতখন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ ভোটগণনা আজি অনুষ্ঠিত হ'ব।

৩। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ গ্ৰাম্য পথ যোগাযোগ সুদৃঢ় কৰাৰ লগতে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে অসম আৰু ত্ৰিপুৰাৰ কেইবাটাও পথ প্ৰকল্পত অনুমোদন জনাইছে।

৪। ভাৰত আৰু জিম্বাব্'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব।

*আৰু*

৫। এন শ্ৰীৰাম বালাজী আৰু গোঞ্জালো এস্কোবাৰৰ যুটীটো ব্ৰাৰো অপেন ছেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইৰ গোৰেগাঁৱৰ এন ই এছ্ চি অ' প্ৰদৰ্শনী কেন্দ্ৰত ২৯ হাজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ পথ, ৰে'লৰে আৰু বন্দৰ খণ্ডৰ কেইটাবাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। বিয়লিৰ ভাগত শ্ৰীমোদীয়ে ভাৰতীয় বাতৰি সেৱা সচিবালয়ত আই এন এছ্ টাৱাৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ১৬ হাজাৰ ৬০০ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া থানে-বোড়িৱলি সুৰংগ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰায় ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দ্বৈত টিউব সুৰংগৰ ফলত থানে আৰু বোড়িৱলিৰ মাজৰ যাত্ৰা পথ ১২ কিলোমিটাৰ হ্ৰাস পাব। ইয়াৰ ফলত যাত্ৰাৰ সময় প্ৰায় এঘণ্টা ৰাহি হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে ছহেজাৰ ৩০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ গোড়েগাঁও মুলুন্ধ লিংক ৰোড প্ৰকল্পৰ সুৰংগ নিৰ্মাণ কামৰো আধাৰশিলা স্থাপন কৰিব। তেওঁ নবী মুম্বাইৰ টুৰ্ভেত কল্যাণ য়াৰ্ড ৰিমডেলিং আৰু গতিশক্তি বহুমুখী মালবাহী কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ উপৰি শ্ৰীমোদীয়ে লোকমান্য তিলক ৰে'ল ষ্টেচনৰ নতুন প্লেটফৰ্'ম আৰু ছত্ৰপতি শিৱাজী মহাৰাজ ষ্টেচনৰ সম্প্ৰসাৰিত ১০ আৰু ১১ নম্বৰ প্লেটফৰ্'ম ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। একেদৰে প্ৰধানমন্ত্ৰীয়ে প্ৰায় ৫ হাজাৰ ৬০০ কোটি টকা ব্যয় সাপেক্ষ মুখ্যমন্ত্ৰীৰ যুৱ কাৰ্য প্ৰশিক্ষণ যোজনা শুভাৰম্ভ কৰিব। ১৮ৰ পৰা ৩০ বছৰ বয়সৰ যুৱক-যুৱতীসকলক দক্ষতা বিকাশ আৰু উদ্যোগত কাম কৰাৰ অভিজ্ঞতা আহৰণৰ সুযোগ প্ৰদানে এই নবিচী কাৰ্যসূচীৰ মূল উদ্দেশ্যে।

ooooo

সাতখন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগণনা আজি অনুষ্ঠিত হ'ব। পশ্চিমবংগৰ ৰায়গঞ্জ, ৰাণাঘাট দক্ষিণ, বাগ্‌দা আৰু মাণিকতোলা, হিমাচল প্ৰদেশৰ দেহেৰা, হমিৰপুৰ আৰু নালাগড়, উত্তৰাখণ্ডৰ বদ্ৰীনাথ আৰু মংলোৰ, বিহাৰৰ ৰূপৌলি, মধ্যপ্ৰদেশৰ অমৰৱাড়া, তামিলনাডুৰ ৱিক্ৰৱন্দি আৰু পাঞ্জাৱৰ জলন্ধৰ পশ্চিম আসনৰ বাবে বুধবাৰে ভোটগ্ৰহণ কৰা হৈছিল।

ooooo

কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ গ্ৰাম্য পথ যোগাযোগ সুদৃঢ় কৰাৰ লগতে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যৰে অসম আৰু ত্ৰিপুৰাৰ বাবে কেইবাটাও প্ৰকল্পত অনুমোদন জনাইছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে ৩৭৮ কোটিৰো অধিক টকা বিনিয়োগেৰে অসমত প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনাৰ অধীনত ৫৬৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৭৮টা পথ আৰু ১৪খন দলং নিৰ্মাণত অনমোদন জনাইছে। মন্ত্ৰালয়ে ত্ৰিপুৰাৰ বাবে ১১৪ কোটি টকা বিনিয়োগেৰে ১১৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪২টা পথ নিৰ্মাণত অনুমোদন জনাইছে। মন্ত্ৰালয়ে কৈছে যে এই প্ৰকল্পসমূহে স্বাস্থ্য, শিক্ষা আৰু বাণিজ্যৰ দৰে অত্যাৱশ্যকীয় সেৱাসমূহৰ সুবিধা উন্নত কৰাৰ লগতে গ্ৰামাঞ্চলত সংযোগ বৃদ্ধি কৰিব। মন্ত্ৰালয়ৰ মতে এই প্ৰকল্পসমূহে ত্ৰিপুৰাত বসবাস কৰা বিশেষভাৱে দুৰ্বল জনজাতিয় গোটসমূহৰ আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাতো অৰিহণা যোগাব।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কালি ৰাছিয়াৰ ছেইণ্ট পিটাৰ্ছবাৰ্গত তাজিকিস্তান, কাজাখস্তান, বেলাৰুছ, ইজিপ্ত, আৰু উজবেকিস্তানৰ বিধানমণ্ডলৰ অধ্যক্ষসকলক সাক্ষাৎ কৰে। দশম ব্ৰিকচ সংসদীয় সন্মিলনলৈ যোৱা এটা ভাৰতীয় সংসদীয় প্ৰতিনিধি দলক অধ্যক্ষগৰাকীয়ে নেতৃত্ব প্ৰদান কৰিছে। তাজিকিস্তানৰ মাজলিছি নমোয়াণ্ডাগনৰ অধ্যক্ষ জোকিৰ-জোদা মহম্মদ-তোহিৰ জোহিৰৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকত ওম বিৰলাই দুয়োখন দেশৰ মাজত গভীৰ ঐতিহাসিক আৰু সাংস্কৃতিক সম্পৰ্ক আৰু সংসদীয় বন্ধুত্ব গোট গঠনৰ জৰিয়তে সংসদীয় সহযোগিতা বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতাৰ ওপৰতো নেতাগৰাকীয়ে আলোকপাত কৰে। ব্ৰিকছ সংসদীয় সন্মিলনতে ওম বিৰলাই কাজাখস্তানৰ চেনেটৰ অধ্যক্ষ আছিংবায়েভ মৌলেন সাগাথানুলীকো সাক্ষাৎ কৰে। শ্ৰীবিৰলাই কয় যে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ হিচাপে ভাৰতে গণতান্ত্ৰিক শাসনৰ ভিত্তিত নাগৰিকৰ আৰ্থ-সামাজিক জীৱনত পৰিৱৰ্তন আনিছে। বেলাৰুছৰ ৰাষ্ট্ৰীয় সদনৰ অধ্যক্ষ ইগ'ৰ চাৰ্গেয়েংকোৰ সৈতে হোৱা বৈঠকত লোকসভাৰ অধ্যক্ষগৰাকীয়ে ভাৰত আৰু বেলাৰুছৰ মাজত ঘনিষ্ঠ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ কথা উল্লেখ কৰে। তেঁও কয় যে প্ৰত্যাহ্বানমূলক আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ মাজতো বিভিন্ন পৰ্যায়ত

পাৰস্পৰিক বুজাবুজি আৰু নিৰন্তৰ সহযোগৰ বাবে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক ঘনিষ্ঠ হৈ আছে।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কালি দিল্লীত থাইলেণ্ডৰ বিদেশ মন্ত্ৰী মাৰিছ ছাংগিয়ামপংছাৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত নেতা দুগৰাকীয়ে ৰাজনৈতিক, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, বাণিজ্য আৰু বিনিয়োগ, ভৌতিক আৰু আৰ্থিক সংযোগ, পৰ্যটন আদি ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে ড° জয়শংকৰে কয় যে তেওঁলোকে আঞ্চলিক, ভাৰত-আছিয়ান, ভাৰত-প্ৰশান্ত মহাসাগৰীয় আৰু ৰাষ্ট্ৰসংঘত সহযোগিতা আদি বিষয় সম্পৰ্কেও মত বিনিময় কৰে।

০০০০০

স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুস্মান ভাৰত ডিজিটেল মিছনৰ পৰ্যালোচনা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে আঁচনি দুখনে নিজৰ উদ্দেশ্য পুৰণ কৰিবলৈ সক্ষম হৈছে। তেঁও লগতে কয় যে এই আঁচনিকেইখনৰ অধীনত প্ৰায় ৩৪ কোটি ৭লাখ আয়ুষ্মান কাৰ্ড প্ৰদান কৰা হৈছে আৰু প্ৰায় ৭ কোটি ৩৫লাখ লোকক চিকিৎসালয়ত ভৰ্তিৰ সুবিধা প্ৰদান কৰা হৈছে। এই দূৰদৰ্শী আঁচনিসমূহৰ সুবিধা যাতে সমাজৰ অতি পিছপৰা শ্ৰেণীৰ লোকসকলৰ মাজলৈ যায়, তাক নিশ্চিত কৰিবলৈও স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে।

০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দিল্লী আৰু প্ৰচাৰ ভাৰতীয়ে আজিৰে পৰা দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত দুদিনীয়া ৰ'ব'ট প্ৰতিযোগিতা ডি ডি ৰোব'কন ইণ্ডিয়া ২০২৪ৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত  দেশৰ বিভিন্ন প্ৰান্তৰ ৪৫ খন মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানৰ ৭৫০ জনৰো অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত ৰ'ব'টে নিৰ্দিষ্ট সময়ত জটিল কাম সম্পাদন কৰিব। এই প্ৰতিযোগিতাৰ বিজয়ী দলটোৱে ভিয়েটনামৰ ক্ৱাননিন্হত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় এছিয়া প্ৰশান্ত মহাসাগৰীয় সম্প্ৰচাৰ সংঘ ৰোব'কন ২০২৪ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিব।

০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটো বৰ্তমান শৃংখলাত ২-১ ফলাফলেৰে আগবাঢ়ি আছে। শৃংখলাৰ প্ৰথমখন খেলত ভাৰত জিম্বাব'ৱেৰ হাতত ১৩ ৰানত পৰাজয়ৰ সন্মুখীন হোৱাৰ বিপৰীতে পৰৱৰ্তী দুয়োখন খেলত জয়লাভ কৰি শৃংখলাত অগ্ৰগতি লাভ কৰিবলৈ

সমৰ্থ হৈছে। দ্বিতীয়খন খেলত ভাৰতে ঘৰুৱা দল জিম্বাৱ'ৱেক ১০০ ৰানত পৰাস্ত কৰাৰ বিপৰীতে তৃতীয়খন খেলত ২৩ ৰানত বিজয় জয়লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলে একেখন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইকুৱেডৰৰ গোঞ্জালো এস্কোবাৰৰ যুটীটো জাৰ্মানীত অনুষ্ঠিত ব্ৰাৱো অপেন ছেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

বালাজী আৰু এস্কোবাৰৰ যুটীটোৱে কালি ছেমি ফাইনেলত  চতুৰ্থ বাছনিপ্ৰাপ্ত ইউক্ৰেইনৰ ডেনিছ মোলছানোভ আৰু নেডাৰলেণ্ডছৰ মেট্ৱে মিডিলকুপক ৬-৩, ৭-৬ পোনপটীয়া ছেটত পৰাস্ত কৰে। ভাৰত আৰু ইকুৱেডৰ যুটীটো আজি ফাইনেলত নেডাৰলেণ্ডছৰ ছেণ্ডাৰ এৰেন্দছ আৰু ৰবিন হাছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব।

০০০০০

সপ্তম বাছনিপ্ৰাপ্ত জেছমিন পাঅ'লিনি আজি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত ৩১ সংখ্যক বাছনিপ্ৰাপ্ত বাৰবোৰা ক্ৰাইজিকোভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চেক গণৰাজ্যৰ ক্ৰাইজিকোভাই বৃহস্পতিবাৰে ছেমি ফাইনেলত কাজাখস্তানৰ এলিনা ৰায়বাকিনাক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে ইটালীৰ পাঅ'লিনিয়ে  ক্ৰৱেচিয়াৰ ডোনা ৱেকিছক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ইফালে, প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ফাইনেলত কাইলৈ ৭ বাৰৰ চেম্পিয়ন ন'ভাক জ'ক'ভিচ যোৱাবাৰৰ চেম্পিয়ন কাৰ্লোছ অল্কাৰজ্ৰ সন্মুখীন হ'ব। চাৰ্বিয়াৰ জ'ক'ভিচে কালি ছেমি ফাইনেলত ইটালীৰ লোৰেঞ্জো মুছেটিক ৬-৪, ৭-৬, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰাৰ বিপৰীতে অলকাৰাজে ৰাছিয়াৰ ডেনিল মেদৱেদেভক ৬-৭, ৬-৩, ৬-৪, ৬-৪ ছেটত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। ইপিনে, পুৰুষৰ ডাবলছৰ ফাইনেলত আজি ব্ৰিটেইনৰ হেনৰী পেটন আৰু ফিনলেণ্ডৰ হেৰী হেলিঅ'বাৰাৰ যুটীটো অষ্ট্ৰেলিয়াৰ মেক্স প'ৰচেল আৰু জৰ্দান থম্পছনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে মহিলাৰ ডাবলছৰ ফাইনেলত আজি দ্বিতীয় বাছনিপ্ৰাপ্ত কানাডাৰ গেবৱিলা ডাব'স্কি আৰু নিউজিলেণ্ডৰ এৰিন ৰোট'লিফ চতুৰ্থ বাছনিপ্ৰাপ্ত চেক গণৰাজ্যৰ কটৰিনা চিনায়াকোভা আৰু আমেৰিকাৰ টেইলৰ টাউনচেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ হ'বলগীয়া মিক্সড ডাবলছৰ ফাইনেলত পোলেণ্ডৰ জন জেলেনস্কি আৰু টাইৱানৰ ছু ৱেই ছিহৰ যুটীটো মেক্সিগোৰ ছেণ্টিয়াগো গোঞ্জালেজ আৰু গুলীয়ানা আল্মোছৰ মুখামুখি হ'ব।

০০০০০

ভাৰতৰ সবিৰা হাৰিছে ইটালীৰ পোৰপেটোত অনুষ্ঠিত আই এছ এছ এফ জুনিয়ৰ শ্বুটিং বিশ্বকাপৰ মহিলাৰ ট্ৰেপ শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। সবিৰাই কালি ফাইনেলত ৪০টাৰ ভিতৰত ২৯টা লক্ষ্যত আঘাট হানে।

০০০০০

**সমাপ্ত**